# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 10-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰা শ্ৰীচি পি ৰাধাকৃষ্ণনে ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ সকলোকে একেলগে কাম কৰিবলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি শ্ৰীচি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে আৰু বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

৩। নেপালৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ কালি প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত প্ৰতিৰক্ষা সম্পৰ্কীয় কেবিনেট কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়।

৪। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত থকা বাণিজ্যিক বাধাসমূহ দূৰ কৰিবলৈ উভয় দেশে আলোচনা অব্যাহত ৰাখিব বুলি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। ***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি আয়োজক সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে নিজৰ অভিযান আৰম্ভ কৰিব।

ooooo

চি পি ৰাধাকৃষ্ণন দেশৰ দ্বিতীয় সৰ্বোচ্চ সাংবিধানিক পদলৈ নিৰ্বাচিত হোৱাটো জাতীয়তাবাদী মতাদৰ্শৰ বিজয় হিচাপে পৰিগণিত হৈছে। তেওঁ ২০৪৭ চনৰ ভিতৰত দেশক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলিও প্ৰতিশ্ৰুতিবদ্ধ হয়। উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ১৫২টা ভোটৰ ব্যৱধানত শ্ৰীৰাধাকৃষ্ণন জয়ী হৈছে। তেওঁ ৪৫২টা ভোট লাভ কৰাৰ বিপৰীতে বি সুদৰ্শন ৰেড্ডীয়ে ৩০০টা ভোট লাভ কৰিছে। ফলাফল ঘোষণাৰ পাছত প্ৰথমটো ৰাজহুৱা ভাষণত বিৰোধী মিত্ৰজোঁটে কয়, যে এয়া হৈছে মতাদৰ্শৰ যুঁজ আৰু ইয়াত জাতীয়তাবাদী মতাদৰ্শৰ বিজয়ী হৈছে। শ্ৰীৰাধাকৃষ্ণনে কয়, যে এয়া প্ৰতিগৰাকী ভাৰতীয়ৰ জয়। ২০৪৭ চনৰ ভিতৰত দেশক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ সকলোকে একেলগে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। দেশৰ উন্নয়নৰ বাবে সকলো প্ৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে গণতন্ত্ৰত শাসক আৰু বিৰোধী দুয়োটা দলেই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰা শ্ৰীচি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে আৰু বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সাক্ষাৎকালত বিজেপিৰ অধ্যক্ষ জে পি নাড্ডা, টি ডি পিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু, জে ডি ইউৰ নেতা সঞ্জয় ঝা, শিৱসেনাৰ নেতা শ্ৰীকান্ত সিন্দে আৰু টি এম চি এমৰ নেতা জি কে ভাছানো উপস্থিত আছিল।

ooooo

আৰ এছ এছ আৰু বিজেপিৰ আদৰ্শত দৃঢ়ভাৱে বিশ্বাসী শ্ৰীৰাধাকৃষ্ণন ৰাজনৈতিক আৰু প্ৰশাসনিক অভিজ্ঞতাৰে পুষ্ট। তামিলনাডুৰ এগৰাকী সুদক্ষ ৰাজনীতিবিদ হিচাপে শ্ৰীৰাধাকৃষ্ণনৰ বিজয় শাসকীয়

মিত্ৰজোঁটৰ অতি গুৰুত্বপূৰ্ণ। তামিলনাডুৰ পৰা উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰা তেওঁ হৈছে তৃতীয়গৰাকী ব্যক্তি। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ৰীৰাধাকৃষ্ণনক অভিনন্দন জ্ঞাপন কৰে। ভৱিষ্যতে দেশৰ বাবে ভাল কাম কৰিবলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীৰাধাকৃষ্ণনক শুভেচ্ছাও জনায়। এই নিৰ্বাচনত পৰাজিত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীয়ে কয়, যে অতি বিনম্ৰভাৱে এই ফলাফল তেওঁ গ্ৰহণ কৰিছে। তেওঁ লগতে শ্ৰীৰাধাকৃষ্ণনক নতুন যাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

নেপালৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত প্ৰতিৰক্ষা সম্পৰ্কীয় কেবিনেট কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে নেপালৰ সাম্প্ৰতিক হিংসাজৰ্জৰ পৰিস্থিতিক হৃদয়বিদাৰক হিচাপে আখ্যা দিয়ে। দেশখনত যুৱক-যুৱতীসকলে প্ৰাণ হেৰুওৱা সন্দৰ্ভত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনৰ সুস্থিৰতা, শান্তি আৰু সমৃদ্ধিহে আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। তেওঁ দেশখনৰ জনসাধাৰণক শান্তিৰ হকে আগুৱাই আহিবলৈও আহ্বান জনায়।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ অসম, মেঘালয়, মণিপুৰ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ অঞ্চল বিশেষে ধুমুহাৰ সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণৰ আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগে পৰৱৰ্তী চাৰি-পাঁচ দিনলৈ পূব আৰু দক্ষিণ ভাৰতত মুষলধাৰ বৰষুণৰ আগজাননী দিছে। আজিৰ দিনটো পশ্চিমবংগৰ উপ-হিমালয় অংশ আৰু ছিকিমত ধাৰাসাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিয়া হৈছে। ইপিনে মধ্যপ্ৰদেশৰ পূব অঞ্চলত আজি আৰু চত্তিশগড়, বিহাৰ আৰু ওড়িশাত অহা ৩-৪ দিন পৰ্যন্ত ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব বুলিও বিভাগে প্ৰকাশ কৰিছে। দক্ষিণ ভাৰতৰ তামিলনাডু, কেৰালা, মাহে, কৰ্ণাটকৰ দক্ষিণ আভ্যন্তৰীণ অংশ, অন্ধ্ৰপ্ৰদেশৰ উপকূল অঞ্চল, য়ানাম আৰু তেলেংগানাত কাইলৈ পৰ্যন্ত বৰষুণ থাকিব বুলি বিভাগে আগলি বতৰা দিছে।

ooooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত থকা বাণিজ্যিক বাধাসমূহ দূৰ কৰিবলৈ উভয় দেশে আলোচনা অব্যাহত ৰাখিব। পৰৱৰ্তী সপ্তাহকেইটামানৰ ভিতৰতে অতি ভাল বন্ধু তথা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে কথা পাতিবলৈ আগ্ৰহী বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলৰ এটা পোষ্টত উল্লেখ কৰে। দুয়োখন মহান দেশৰ বাবে এটা সফল সিদ্ধান্তত উপনীত হোৱাত কোনো অসুবিধা নহ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

ৰাছিয়াৰ পৰা তেল ক্ৰয়ৰ ক্ষেত্ৰত অতিৰিক্ত ২৫ শতাংশ জৰিমনাসহ ভাৰতীয় সামগ্ৰীৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ কেইসপ্তাহমানৰ ভিতৰতে কৰা এই ঘোষণাই বিশেষ তাৎপৰ্য বহন কৰিছে।

চলিত সপ্তাহৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি শ্ৰীট্ৰাম্পে উভয় দেশৰ সম্পৰ্কক "অতি বিশেষ সম্পৰ্ক" বুলি অভিহিত কৰি তেওঁৰ আৰু প্ৰধানমন্ত্ৰী শ্ৰীমোডীৰ মাজৰ বন্ধুত্বৰ সম্পৰ্ক সদায়

থাকিব বুলি দৃঢ়তাৰে উল্লেখ কৰে। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্ক সন্দৰ্ভত “চিন্তা কৰিবলগীয়া একো নাই” বুলিও তেওঁ মন্তব্য কৰে।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীৰ আৱেগ আৰু দ্বিপাক্ষিক সম্পৰ্কৰ ইতিবাচক মূল্যায়নৰ গভীৰভাৱে শলাগ লয়। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্বাত্মক আৰু গোলকীয় কৌশলগত সহযোগিতাৰ সম্পৰ্কক আগশাৰীৰ সম্পৰ্ক বুলি উল্লেখ কৰে।

ooooo

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ই বিদায়ী প্ৰতিৰক্ষা মন্ত্ৰী ছেবাষ্টিয়েন লেকৰ্নোক দেশখনৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ অৰ্পণ কৰিছে। দেশখনৰ পূৰ্বৰ প্ৰধানমন্ত্ৰী ফ্ৰান্সৱা বাইৰোৱে সংসদৰ আস্থা ভোটত পৰাজিত হৈ দায়িত্বভাৰ এৰিবলগা হোৱাৰ এদিন পাছতে লেকৰ্নোক নতুনকৈ নিযুক্তি দিয়া হয়। বাইৰো মাত্ৰ ৯ মাহহে প্ৰধানমন্ত্ৰীৰ দায়িত্বত থাকে।

লেকৰ্নো হ’ল বিগত দুটা বছৰত দেশখনৰ পঞ্চমগৰাকী প্ৰধানমন্ত্ৰী। ৰাছিয়া আৰু ইউক্ৰেইনৰ সংঘাতৰ সময়ছোৱাত ফ্ৰান্সক দিয়া নেতৃত্বৰ লেকৰ্নোৱে শেহতীয়া তিনিটা বছৰ দেশখনৰ সশস্ত্ৰ বাহিনীৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

দেশখনৰ পৰৱৰ্তী বাজেট প্ৰস্তুত কৰাৰ বাবে নৱনিযুক্ত প্ৰধানমন্ত্ৰীক দেশখনৰ ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনা কৰাৰ দায়িত্ব দিয়া হৈছে বুলি ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে জাৰি কৰা এটা বিবৃতিত উল্লেখ কৰা হৈছে।

ooooo

আবু ধাবিত অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত যোৱা নিশা আফগানিস্তানে হংকঙক ৯৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে।

গ্ৰুপ-বিৰ এই খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ছেদিকুল্লাহ অটলে ৭৩ ৰান কৰে। আজমতুল্লাহ ওমৰজায়ে ২০টা বলত অৰ্ধশতক অৰ্জন কৰে। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত আফগানিস্তানৰ হৈ আটাইতকৈ কম বলত অৰ্ধশতক অৰ্জন কৰা খেলুৱৈ হিচাপে পৰিগণিত হয়।

প্ৰত্যুত্তৰত হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ বাবৰ হায়াতে সৰ্বাধিক ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰতিযোগিতাৰ বাবে নিৰ্ধাৰণ কৰা গ্ৰুপ-বিত শ্ৰীলংকা আৰু বাংলাদেশো আছে। প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দল দুটাই এই পৰ্যায়ৰ পৰা ছুপাৰ ফ’ৰ পৰ্যায়ত স্থান নিশ্চিত কৰিব।

ইপিনে ভাৰতে আজি আয়োজক সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। গ্ৰুপ-এৰ এই খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ’ব।

ooooo

ভাৰতৰ নিখাত জাৰিন আৰু মিনাক্ষীয়ে লিভাৰপুলত চলি থকা বিশ্ব বক্সিং চেম্পিয়নশ্বিপছৰ কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হৈছে।

প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দুবাৰৰ বিশ্ব চেম্পিয়ন নিখাতে জাপানৰ য়ুমা নিচিনাকাক ৫-০ ফলাফলত পৰাস্ত কৰে। মহিলাৰ ৫১ কিলোগ্ৰাম ওজন শাখাত প্ৰতিদ্বন্দ্বিতা কৰা জাৰিন কোৱাৰ্টাৰ ফাইনেলত অলিম্পিকত দুবাৰকৈ ৰূপৰ পদক অৰ্জন কৰা তুৰস্কৰ বুশ্বে নাজ কাকিৰ'গ্লুৰ মুখামুখি হ'ব।

ইপিনে অলিম্পিকত অংশগ্ৰহণ নকৰা মহিলা খেলুৱৈসকলৰ ৪৮ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মিনাক্ষীয়ে চীনৰ ৱাং কিউপিঙক ৫-০ ফলাফলত পৰাস্ত কৰে।

অৱশ্যে পুৰুষৰ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ লক্ষ্য চহৰ, সুমিত কুণ্ডু, শচীন শিৱাছ আৰু নৰেন্দৰ বেৰৱাল পৰাজিত হয়। প্ৰতিযোগিতাৰ এই উদ্বোধনী সংস্কৰণলৈ ভাৰতে ২০ জনীয়া দল প্ৰেৰণ কৰিছে। প্ৰতিযোগিতাত ৬৫ খনতকৈও অধিক ৰাষ্ট্ৰৰ ৫৫০ গৰাকীতকৈও অধিক খেলুৱৈয়ে ভাগ লৈছে। ইয়াৰ ভিতৰত শেহতীয়া পেৰিছ অলিম্পিকত পদক অৰ্জন কৰা ১৭ গৰাকী খেলুৱৈও আছে।

০০০০০

সমাপ্ত